দৈনিক জনমভূমি
গুৱাহাটী সোমবাৰ ২৫ মে', ২০০৯

## মুখ্য মন্ত্ৰীৰ বিনিয়োগ পৰামৰ্শদাতাৰ মত

# জৈৱ-বৈচিত্ৰ্যৰ উচিত ব্যৱহাৰেৰে সমৃদ্ধ হ'ব পাৰে অসম

গুৱাহাটী ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২৪ মে' ঃ ঔদ্যোগীকৰণৰ ক্ষেত্ৰত অসম বহু পিছ পৰা যদিও অসমৰ সমৃদ্ধ জৈৱ-বৈচিত্ৰ্য, বিচিত্ৰ প্ৰকৃতিৰ উচিত ব্যৱহাৰে অসমক বিশ্বৰ ভিতৰতে অন্যতম সমৃদ্ধিশালী ৰাজ্যত পৰিণত কৰিব পাৰে। মুখ্য মন্ত্ৰীৰ বিনিয়োগ পৰামৰ্শদাতা, উদ্যোগী ৰঞ্জিত বৰঠাকুৰৰ মন্তব্য এয়া। তেওঁৰ মতে, তথাকথিত ঔদ্যোগীকৰণ নহ'ল যদি নাই, তাৰ সলনি অসমত 'প্ৰাকৃতিক নীতি' প্ৰস্তুত কৰা হওক। অসমত প্ৰকৃতি নিৰ্ভৰ উদ্যোগ গঢ়াৰ ওপৰত যথোচিত গুৰুত্ব দিয়া হওক। বৰঠাকুৰে বালিপৰা ট্ৰেষ্ট এণ্ড ফ্ৰণ্টিয়াৰ ফাউণ্ডেশ্যনৰ নামত শোণিতপুৰ জিলাৰ বালিপৰাত তেনে কাম আৰম্ভ কৰিছে। স্মাইল ইণ্ডিয়াৰ ভাৰতৰ মুৰব্বী বৰঠাকুৰে কালি সাংবাদিকৰ আগত কয়, 'আমাৰ লাভৰ বাবে নহয় সাধাৰণ ৰাইজৰ উন্নয়নৰ বাবে বিভিন্ন আঁচনি হাতত লোৱা হৈছে। সাধাৰণ ৰাইজৰ অৰ্থনৈতিক প্ৰগতিৰ বাবে পৰীক্ষামূলকভাৱে সংস্থাটোৱে গ্ৰহণ কৰা তেনে এখন আঁচনি হ'ল 'ঘৰ বাৰী'। এই আঁচনিৰ অধীনত প্ৰায় ৫০০০ টকা ব্যয় কৰি একোটা পৰিয়ালে বছৰটো জুৰি লাভৱান হ'ব পাৰিব। আনকি পৰিয়ালসমূহে উৎপাদন কৰা সামগ্ৰীসমূহ বালিপৰা ট্ৰেষ্টে ক্ৰয় কৰিও ল'ব।' বালিপৰা অঞ্চলটোৰ উৎকৃষ্ট ফুল আৰু মৌ উৎপাদন কৰিব পৰাৰ সম্ভাৱনাও দেখিছে বৰঠাকুৰে। তেওঁৰ অভিমত— অসমক ৰাজ্য চৰকাৰে প্ৰকৃতিৰ ৰাণী বুলি ঘোষণা কৰি সেই মতে কামত আগবাঢ়ক। অসমৰ সমৃদ্ধি অনিশ্চিত। অনুষ্ঠানত বালিপৰা ট্ৰেষ্টৰ মেনেজিং ট্ৰাষ্টি প্ৰবীৰ বেনাৰ্জী আৰু ববি ডি বৰুৱাও উপস্থিত আছিল।